بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ

# খোতবা জুমা

**হজৰত মছীহ মাওউদ (আঃ)ৰ গভীৰ তত্ত্ব সম্বলিত বাণীৰ আলোকত কোৰাণ কৰিমৰ ফজিলত, স্থান,মান মৰ্যদা আৰু মহত্ব সম্পৰ্কে বৰ্ণনাৰ লগতে সকলো আহমদী ভাই ভনী সকলক সকলো ধৰণৰ বিপদ-বিপত্তিৰ পৰা আৰু সংশোধনৰ অযোগ্য লোক সকলক ভয়াতুৰ হৈ সংশোধনৰ বাট লোৱাৰ বাবে,ৰমজান মাহটোত বিশেষ দোৱাৰ আবেদন।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩১ মাৰ্চ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্তমান আমি ৰমজান মাহ অতিবাহিত কৰি আছো। ৰমজান মাহ এনেকুৱা এটা মাহ, য'ত এটা ৰূহানি পৰিৱেশ সৃষ্টি হয়। ৰোজাৰ সৈতে আন আন ইবাদতৰ ফালেও বেছি বেছি মনোযোগ নিবন্ধ হয়। কোৰাণ কৰিম পঢ়া আৰু শুনাৰ প্ৰতিও মনোযোগ দিয়া হয়। যদি ৰোজাৰ প্ৰকৃত কল্যাণ লাভ কৰিব বিচৰা হয় তেন্তে কোৰাণ কৰিম পঢ়াৰ ফালে বেছি মনোযোগ দিয়াৰ প্ৰয়োজন আছে। ৰমজান মাহৰ সৈতে কোৰাণ কৰিমৰ এটা অন্যতম সম্পৰ্ক আছে। আল্লাহ তা'লা কোৰাণ কৰিমত কৈছে, **শ্বাহৰু ৰামাজানাল্লাজি উনজিলা ফিহিল কুৰাআনু হুদাল্লিন্নাছি**। অৰ্থাৎ ৰমজান মাহ হ'ল সেই মাহ যি মাহত কোৰাণ কৰিম নাযিল হৈছে,সেই কোৰাণ যি মানৱ জাতিৰ নিমিত্তে হিদায়ত স্বৰূপ পঠোৱা হৈছে।

কিছুমান নিৰ্ভৰযোগ্য ৰিৱায়ত আছে যে ৰমজান মাহৰ ২৪ তাৰিখত আঁহজৰত (ছাঃ)ৰ ওপৰত প্ৰথম ওহী নাযিল হৈছিল। ইয়াৰ পিছত প্ৰত্যেক ৰমজান মাহতেই জিব্ৰাইল (আঃ)য়ে আঁহজৰত (ছাঃ)ৰ লগত কোৰাণ কৰিম প্ৰথমৰ পৰা শেষলৈকে পঢ়া কৰিছিল আৰু আঁহজৰত (ছাঃ)ৰ জীৱনৰ শেষ ৰমজান মাহত কোৰাণ কৰিম জিব্ৰাইল (আঃ)য়ে দুবাৰকৈ এনেদৰে পঢ়া শেষ কৰিছিল। গতিকে আমি এই মাহটোত বিশেষ ভাৱে কোৰাণ কৰিম পঢ়া আৰু ইয়াৰ তফছিৰ পঢ়া আৰু শুনাৰ ফালে মনোযোগ দিয়া উচিত। এম,টি,এৰ প্ৰোগ্ৰামত কোৰাণ কৰিম পাঠ প্ৰচাৰ হয়, সেয়াও শুনিব পাৰে। কোৰাণ কৰিম পঢ়াৰ লগে লগে ইয়াৰ অনুবাদ আৰু তফছিৰ পঢ়িলেহে আমি

সেইবোৰ নিদৰ্শনৰ গুৰুত্ব বুজিব পাৰিম, যিবোৰ কোৰাণত লিপিবদ্ধ হৈছে আৰু সেইবোৰ আমি আমাৰ দৈনন্দিন কাৰ্য্যৰ অংশ বনাই ল'ব পাৰিম আৰু আমাৰ জীৱনটোক কোৰাণৰ শিক্ষা অনুযায়ী চলাই নিব পাৰিম আৰু আল্লাহ তা'লাৰ কৃপাৰাজি আহৰণ কৰোঁতা হ'ব পাৰিম। গতিকে আমি যদি ৰমজান মাহৰ প্ৰকৃত কল্যাণ পাব বিচাৰো তেন্তে আমি কোৰাণ কৰিমৰ তিলাওত আৰু ইয়াৰ ওপৰত চিন্তা কৰাৰ ফালে মনোযোগ দিয়া উচিত। হজৰত মছীহ মাওউদ (আঃ)ৰ ৰচিত বাণী সমূহ বাৰে বাৰে পঢ়াৰ প্ৰয়োজন আছে,কাৰণ তেহে আমি কোৰাণ কৰিমৰ শুদ্ধ শিক্ষাৰ মূলভাৱ বুজিব পাৰিম।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে খোদা তা'লাৰ হিকমত আৰু আহকাম (নিৰ্দেশ) দুই ধৰণৰ আছে। ইয়াৰে কিছুমান চিৰস্থায়ী আৰু কিছুমান সাময়িক চাহিদা অনুযায়ী প্ৰকাশ পাই থাকে। তথাপি কিন্তু ইয়াৰ মাজত দৃঢ় আৰু স্থায়ী সদৃশ বৈশিষ্ট বিদ্ধমান আছে। উদাহৰণ স্বৰূপ, ভ্ৰমণৰ মাজত নামাজ আৰু ৰোজা সম্পৰ্কে এটা বেলেগ নিৰ্দেশ আৰু কৰবাত অৱস্থান কৰা কালীনত এটা বেলেগ নিৰ্দেশ আছে। ভ্ৰমণৰত অৱস্থাত নামাজ জমা নাইবা চুটি (কছৰ) কৰাৰ অনুমতি আছে। কিন্তু এনে সাধাৰণ অৱস্থাত সম্পূৰ্ণ পঢ়িব লাগিব। তেখেত (আঃ)য়ে কৈছে যে তৌৰাত আৰু ইঞ্জিলৰ নিৰ্দেশবোৰ সাময়িক চাহিদা অনুযায়ী আছিল, কিন্তু আঁহজৰত (ছাঃ)য়ে যি চৰিয়ত আৰু গ্ৰন্থ লৈ আনিছে সেয়া ভৱিষ্যতলৈ আৰু বৰ্তমানলৈ সকলোতে চিৰস্থায়ী। ইয়াৰ মাজত যি বৰ্ণিত আৰু লিপিবদ্ধ হৈছে সেয়া সঠিক আৰু সম্পূৰ্ণ। কোৰাণ চৰিফ চিৰস্থায়ী বিধান সম্বলিত গ্ৰন্থ আৰু তৌৰাত,ইঞ্জিল গ্ৰন্থ, কোৰাণ অৱতীৰ্ণ নহলেও লুপ্ত বা অকাজু হৈ গ'লহেঁতেন, কাৰণ এই গ্ৰন্থ চিৰস্থায়ী বিধান সম্বলিত গ্ৰন্থ নহয়। কিন্তু কোৰাণ কৰিমৰ শিক্ষা সম্পূৰ্ণতা বিশিষ্ট আৰু ইয়াৰ নিৰ্দেশ আৰু হিদায়ত প্ৰত্যেক যুগৰ বাবে কাৰ্য্যকৰী হ'ব। হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ আগমনৰ উদ্দেশ্য আৰু কোৰাণ কৰিমৰ স্বয়ং সম্পূৰ্ণ চৰিয়ত সম্পৰ্কে কৈছে যে মোৰ আগমনৰ মূল উদ্দেশ্য আৰু মই অহাৰ কাৰণ হ'ল ইছলামৰ নবীকৰণ কৰা আৰু আগবঢ়াই নিয়া। আঁহজৰত (ছাঃ)ৰ মাজতে চৰিয়ত আৰু নবুয়তৰ অন্ত পৰিছে। এতিয়া ভৱিষ্যতলৈ বেলেগ কোনো চৰিয়ত আহিব নোৱাৰে। কোৰাণ কৰিম অন্তিম গ্ৰন্থ, ইয়াৰ মাজৰ এটা আকাৰ ইকাৰ সাল-সলনি বা কম বেছি কৰাৰ উপায় নাই। সেই বুলি আঁহজৰত (ছাঃ)ৰ কল্যাণ আৰু বৰকত আৰু কোৰাণ চৰিফৰ শিক্ষা আৰু হিদায়তৰ ফল শেষ হৈ যোৱা নাই। এয়া প্ৰত্যেক যুগতেই সতেজ থাকিব আৰু এই কল্যাণ আৰু বৰকতৰ প্ৰমাণ হিচাপেই আল্লাহ তা'লা মোক থিয় কৰাইছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)য়ে আল্লাহ তা'লাৰ পৰা জ্ঞান লাভ কৰি মানৱ জাতিলৈ কৈছে, **কুল ইয়া আয়্যুহান্নাছু ইন্নি ৰাছুলুল্লাহি ইলায়কুম জামিআ** (ছুৰা আৰাফ আয়াত ১৫৯) তুমি কৈ দিয়া যে হে মানৱ জাতি ! নিশ্চয় মই তোমালোকলৈ আল্লাহৰ প্ৰেৰিত ৰছুল হওঁ। সেয়ে প্ৰয়োজন হ'ল যে কোৰাণ চৰিফ সেই শিক্ষাৱলীৰ আধাৰ হ'ব যিবোৰ সময়ে সময়ে জাৰি হৈছিল আৰু সেই সকলোবোৰ সত্যতা নিজৰ মাজত ধাৰণ কৰিব যিবোৰ আচমানৰ পৰা বিভিন্ন নবী সকলৰ জৰিয়তে ধৰাধামত সকললৈ পৌচাই দিয়া হৈছিল। কোৰাণ কৰিম কেৱল মাত্ৰ কোনো এটা দেশ বা সম্প্ৰদায়ৰ বাবে নহয় বৰং সমগ্ৰ মানৱ জাতিক সামৰি লৈছে। আঁহজৰত (ছাঃ)য়ে আল্লাহ তা'লাৰ আদেশ মৰ্মে ঘোষণা কৰিছে যে তেখেত (ছাঃ) গোটেই বিশ্বৰ বাবে আল্লাহৰ ৰছুল হয়, এই কথাখিনিয়ে প্ৰমাণ কৰে যে কোৰাণ কৰিম সমস্ত জগতৰ বাবে হিদায়তৰ মাধ্যম।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে কোৰাণ চৰিফ ৰহস্যময় জ্ঞান ভাণ্ডাৰ আৰু স্থায়ী চৰিয়ত আৰু সকলো শিক্ষাৰ ভঁৰাল। সেয়ে কোৰাণ চৰিফৰ প্ৰথম মজিজা হ'ল উচ্চ মানদণ্ডৰ শিক্ষা প্ৰণালী। এনেদৰে কোৰাণ কৰিমৰ আন এটা মজিজা (অলৌকিকতা) হ'ল ইয়াৰ মাজত লিপিবদ্ধ থকা মহান ভৱিষ্যতবাণী। ৰছুলুল্লাহ (ছাঃ)ৰ মক্কী

জীৱনটো অসংখ্য ভৱিষ্যতবাণীৰে ভৰপূৰ। আকৌ তেৰ শ বছৰ পিছত প্ৰতিষ্ঠিত হ'বলগীয়া ছিলছিলা আৰু সেই সময়ৰ নিচান আৰু লক্ষণাৱলী সমূহৰ ভৱিষ্যতবাণী কেনে মহান আৰু দৃষ্টান্ত বিহীন,অৰ্থাৎ মছীহ মাওউদৰ যুগৰ ভৱিষ্যতবাণী যিবোৰ অতি সফলতাৰে ফলিয়াবলৈ লৈছে। জগতৰ আন কোনো গ্ৰন্থই এই ভৱিষ্যতবাণী সমূহৰ মোকাবিলা কৰিব নোৱাৰে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ কৰিমত বিশেষ ভাৱে এই বিষয়ত জোৰ দিয়ে যে প্ৰজ্ঞা,বুদ্ধি বিবেক আৰু ঈমানৰ সৈতে কাম কৰিবা। কোৰাণ মজিদ আৰু বেলেগ গ্ৰন্থৰ মাজত এয়াই প্ৰধান প্ৰাৰ্থক্য আৰু কোনো গ্ৰন্থই নিজৰ শিক্ষা প্ৰণালীক,প্ৰজ্ঞা,বুদ্ধি প্ৰচেষ্টা আৰু ঈমানৰ সমালোচনাৰ আগত থিয় কৰাবলৈ সাহস নাপায়। কোৰাণ চৰিফ এখন নিৰাপদ গ্ৰন্থ। আল্লাহ তা'লা কৈছে যে এয়া নিশ্চয় এখন সন্মানীয় কোৰাণ হয়, ইয়াৰ মূলঙ্কন কাগজৰ মাজতেই সীমাবদ্ধ নহয়,বৰং এয়া এখন মুদ্ৰিত কিতাপ আকাৰে আছে যাক ছহিফা ফিতৰত বুলি কোৱা হয়। ইয়াৰ শিক্ষা কোনো গল্প কাহিনী নহয় যে এদিন বিলুপ্ত হৈ যাব বৰং যিজনে ইয়াক বুজি পাব আৰু ইয়াৰ ওপৰত আমল কৰিব, সি আল্লাহ তা'লাৰ কৃপা লাভ কৰিব। ইয়াৰ প্ৰভাৱ আৰু ইয়াৰ গভীৰতা পাক,পৱিত্ৰ লোকৰ ওচৰতহে খোল-খায়, সেয়ে পাক মানৱৰ সংগলৈ কল্যাণমণ্ডিত হোৱাৰ প্ৰয়োজন আছে। এই যুগত তেনেকুৱা মানৱ হজৰত মছীহ মাওউদ (আঃ)য়েই আছে,যিজনে আল্লাহ তা'লাৰ পৰা জ্ঞান লাভ কৰি যিবোৰ বৰ্ণনা কৰিছে, সেয়া আমি চোৱা উচিত, সেইবোৰৰ ওপৰত চিন্তা কৰা উচিত।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ কৰিমৰ নাম জিকৰ ৰখা হৈছে কাৰণ কোৰাণ কৰিমে মানৱৰ ভিতৰীয়া চৰিয়ত মনত পেলাই দিয়ে, যিবোৰ মানৱ হৃদয়ত বিভিন্ন শক্তিৰ আকাৰত স্থাপিত কৰা আছে। সেইবোৰ হ'ল পৰোপকাৰীতা,সাহস,কঠোৰতা,ক্ৰোধ,ধৈৰ্য ইত্যাদি। গতিকে যিবোৰ প্ৰবৃত্তি ৰহস্যময় আছিল, কোৰাণ কৰিমে সেইবোৰ মনত পেলাই দিয়ে। আল্লাহ তা'লা কৈছে যে কোৰাণৰ ওপৰত চিন্তা কৰা আৰু ইয়াৰ ওপৰত কৰা আমলে তোমালোকক মানৱ চৰিত্ৰৰ উত্তম মাৰ্গ দৰ্শন কৰাব। গতিকে আমি কোৰাণ কৰিম অধ্যয়ন কৰা আৰু বুজি লোৱা উচিত। বৰ্তমানে স্বাধীনতাৰ নামত ল'ৰা বুঢ়াৰ মগজুত যি বিষ প্ৰশ্ৰৱণ কৰা হৈ আছে সেইবোৰৰ পৰা ৰক্ষা পোৱা যাব। এতিয়া সেই যুগ চলি আছে। যাৰ সম্পৰ্কে ৰছুলুল্লাহ (ছাঃ)য়ে ভৱিষ্যতবাণী কৰিছিল যে লোকে কোৰাণ পঢ়িব, কিন্তু কোৰাণ তেওঁলোকৰ টেটুৰ তললৈ বুলি নেনানিব। সেয়াই আমি লক্ষ্য কৰি আছো যে অসংখ্য কাৰি (যিসকলে কোৰাণ সুন্দৰ কণ্ঠেৰে পঢ়ে) আছে, অসংখ্য পাঠক আছে কিন্তু আমল কৰোঁতা কোনেও নাই। মুছলমান সকলে প্ৰজ্ঞাবান হওঁক আৰু সেইজন ব্যক্তিলৈ দৃষ্টি দিয়ক। যিজনক আল্লাহ তা'লাই পঠিয়াইছে তাৰ কথা শুনক, নিজৰ প্ৰবৃত্তিলৈ লক্ষ্য কৰক, যুগৰ চাহিদালৈ গমি চাওঁক মুছলমান সকলৰ দৈনন্দিন পৰিস্থিতিৰ ফালে চাওঁক, কেৱল মাত্ৰ প্ৰকাশ্য ফতোৱাৰ ওপৰত জোৰ দি ইছলামক বদনাম কৰিবলৈ চেষ্টা নকৰক। কোৰাণ কৰিমৰ গূঢ়াৰ্থ বুজিবলৈ চেষ্টা কৰক। তেহে প্ৰকৃত ইছলাম বুজিবলৈ সক্ষম হ'ব। যিয়েই নহওঁক আমি আহমদী সকলে নিজৰ বিষয়ে সদায় চিন্তা কৰি চাব পাওঁ আৰু সেইবোৰৰ ওপৰত আমল কৰিবলৈ চেষ্টা কৰো বা আমি কাৰি আছো। আজি কালি ছোছিয়াল মিডিয়াত প্ৰচাৰিত কিছুমান সৰু সৰু প্ৰোগ্ৰাম চাই গম পোৱা যায় যে মানুহে ইছলামৰ বুনিয়াদী শিক্ষা আৰু ইতিহাস পাহৰি গৈছে। কেৱল মাত্ৰ নামধাৰী মৌলৱী সকলৰ কথাৰ ওপৰত নিৰ্ভৰ কৰি নবুয়ত,কোৰাণ,অথবা চাহাবা সকলৰ নামলৈ জামাত আহমদীয়াৰ বিৰুদ্ধে চিঞৰ-বাখৰ কৰে আৰু ক্ষতি সাধন কৰিবলৈ চেষ্টা কৰে। বাংলাদেশৰ পৰা মৌলৈ কোনোবায় লিখিছে যে যেতিয়া মিছিল আহি আক্ৰমণ চলায় আৰু এজন ল'ৰাই শিলগুটি দলিয়াই দিয়ে তেতিয়া আমাৰে এজন আহমদীয়ে কয় যে কিয়! এয়া কোৰাণত লিখা আছে নেকি ? কিয় ! এয়াই ইছলামৰ শিক্ষা হয় নেকি ? তোমালোকেও দেখোন কলিমা পঢ়োতা হয়। তেতিয়া ল'ৰা জনে হাতত লৈ থকা শিলগুটি পেলাই দিয়ে। সাধাৰণতে এনে ধৰণৰ লোক সকলে মৌলবী

সকলৰ উচটনিত কাম কৰি থাকে। আল্লাহ তা'লা সেইবিলাক চয়তানৰ চয়তানিৰ পৰা আমাক নিৰাপদ ৰাখক আৰু আমাক এয়া তৌফিক দান কৰক যে আমি যেন ৰমজান মাহতও আৰু পিছতও কোৰাণ কৰিম পঢ়োতা, শিকোতা আৰু ইয়াৰ ওপৰত আমলকাৰী হ'ব পাৰো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ৰমজান মাহত দোৱাৰ ফালে বেছি বেছি মনোযোগ দিব লাগিব। আল্লাহ তা'লা প্ৰত্যেক আহমদীক সকলো ঠাইতে বিপদৰ পৰা ৰক্ষা কৰক আৰু আল্লাহ তা'লাৰ দৃষ্টিত যিসকল সংশোধনৰ অযোগ্য তেওঁলোকক ভয়ানক শাস্তিৰ নিচান বনাওঁক যাতে বেলেগ লোক সকলে আল্লাহ তা'লাৰ নিৰ্দেশ অনুসৰি আমল কৰোঁতা হয়। জগতৰ বাবে সদায় দোৱা কৰিব যাতে আল্লাহ তা'লা জগত খনক যুদ্ধৰ বিভিষিকাৰ পৰা ৰক্ষা কৰে। আমীন-

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মৌলানা মনিৰ আহমদ খুৰশিদ চাহাব (মোবাল্লিগ ছিলছিলা)ইকবাল আহমদ মনিৰ চাহাব (মুবাল্লিগ ছিলছিলা পাকিস্তান)ৰ মৃত্যুত তেওঁলোকৰ কৰ্মময় জীৱনৰ বৰ্ণনা দিয়ে আৰু তেওঁলোকৰ আত্মাৰ সদগতি কামনা কৰে। তৃতীয়তে ছৈয়দা নুচৰত জাহা বেগম চাহিবা পত্নী মিয়া আব্দুল আজিম চাহাব দৰৱেশ মৰহুম (কাদিয়ান)ৰ বিষয়ে উল্লেখ কৰে। মৰহুমা দৰৱেশী যুগত উৰিষ্যাৰ পৰা বিয়া হৈ কাদিয়ানলৈ অহা প্ৰথম মহিলা আছিল। মৰহুমায় নিজৰ স্বামীৰ লগত অতি সহনশীলতা আৰু আনন্দেৰে দৰৱেশী জীৱন-যাপন কৰিছিল। ৰোজা নামাজত নিয়মানুবৰ্তীতাশীলা আৰু দোৱা কৰোঁতা এজনী মুখলিচ মহিলা আছিল। নিয়মিত কোৰাণ তিলাওয়াত কৰোঁতা আৰু বেলেগক কোৰাণ পঢ়া শিকাওতা আছিল। বহু সংখ্যক ল'ৰা ছোৱালী আৰু মহিলাক তাই কোৰাণ পঢ়া শিকাইছিল। মানৱ সেৱাৰ ফালে বৰ আগ্ৰহী মহিলা আছিল। কাদিয়ানত কোনো মহিলাৰ দফন কফনৰ সময়ত মৰহুমা বৰ খিদমত আগবঢ়াইছিল। খলিফা ওয়াক্তৰ সৈতে বিশেষ সন্মান আৰু প্ৰেমৰ সম্পৰ্ক ৰাখিছিল। মৃত্যুৰ সময়ত তাই ইহজগতত চাৰিজন পুতেক আৰু এজনী কন্যা সন্তানক এৰি থৈ যায়। খুৰশিদ আনোৱাৰ চাহাবৰ বৈমাতৃ আৰু দোস্ত মহম্মদ শ্বাহিদ চাহাব মৰহুমৰ খুৰী আছিল। আল্লাহ তা'লা মৰহুমাৰ লগত ক্ষমা আৰু দয়াৰ আচৰণ কৰক। ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598